**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::**

১। গুজৰাটৰ আহমেদাবাদত হোৱা প্ৰাণনাশক বিমান দুৰ্ঘটনাৰ তদন্ত অব্যাহত আছে। দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ এটা ব্লেকবক্স উদ্ধাৰ কৰা হৈছে।

২। ইৰানে ইজৰাইলৰ আক্ৰমণৰ প্ৰত্যুত্তৰত যোৱা নিশা ইজৰাইলি চহৰত শতাধিক ক্ষেপনাস্ত্ৰ আৰু ড্ৰোনেৰে আক্ৰমণ চলায়।

৩। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে পশ্চিম এছিয়াৰ বৰ্ধিত উত্তেজনাময় পৰিস্থিতিৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ফোনযোগে কথা পাতে।

৪। আয়ুষ মন্ত্ৰালয়ে আজি নতুন দিল্লীত **এখন পৃথিৱী এটা স্বাস্থ্যৰ বাবে যোগ** বিষয়বস্তুৰে যোগা কানেক্ট শীৰ্ষক এখন বিশ্ব পৰ্যায়ৰ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে। ***আৰু***

৫। লৰ্ডছত অনুষ্ঠিত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত  অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাই কালি তৃতীয় দিনৰ খেলৰ অধিকাংশ সময়ত  আধিপত্য বজাই ৰখাৰ সুবাদত জয়ৰ নিচেই কাষ চাপিছে।

০০০০০

গুজৰাটৰ আহমেদাবাদত হোৱা প্ৰাণনাশক বিমান দুৰ্ঘটনাৰ তদন্ত অব্যাহত আছে। ফৰেনচিক বিশেষজ্ঞৰ দলে কালি দুৰ্ঘটনাস্থলীত তন্ন তন্নকৈ সকলোবোৰ দিশ পৰীক্ষা কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, সেই স্থানৰ পৰা এটা ব্লেকবক্স উদ্ধাৰ কৰা হৈছে। ইয়াৰ পূৰ্বে এয়াৰ ট্ৰেফিক সেৱা অৰ্থাৎ এ টি এছৰ দলে বিমান দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ পৰা এটা ডিজিটেল ভিডিঅ' ৰেকৰ্ডাৰ উদ্ধাৰ কৰে। দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। এই দুৰ্ঘটনাৰ পাছতে কাষৰীয়া অঞ্চলসমূহৰ কেইবাজনো লোক সন্ধানহীন হৈ থকাৰ তথ্য পোৱা গৈছে। সম্প্ৰতি তেওঁলোকৰ সন্ধানতো অভিযান অব্যাহত আছে। আমাৰ সংবাদদাতাই জনোৱা মতে, ৭ টাতকৈ অধিক মৃতদেহ পৰিয়ালৰ সদস্যসকলক গটাই দিয়া হৈছে আৰু ২০০ তকৈ অধিক ডি এন এৰ নমুনা মৃতদেহ চিনাক্তকৰণৰ বাবে সংগ্ৰহ কৰা হৈছে।

ভাৰতীয় চিকিৎসা সন্থাৰ গুজৰাটৰ সভাপতি মেহৰুল শ্বাহে কয়, যে এয়াৰ ইণ্ডিয়াৰ বিমানখন পতিত হোৱা বি জে মেডিকেল কলেজৰ চিকিৎসক ছাত্ৰাবাসৰ চাৰিগৰাকী চিকিৎসা শিক্ষাৰ্থী আৰু এগৰাকী চিকিৎসকৰ পত্নীৰ মৃত্যু হৈছে। তেওঁ কয়, যে এই দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে শতাধিক চিকিৎসক সেই স্থানত উপস্থিত হৈ আহতসকলক উদ্ধাৰৰ চেষ্টা চলায়। শ্ৰী শ্বাহে প্ৰকাশ কৰা অনুসৰি ছাত্ৰাবাসটোত থকা ৪৫ গৰাকীৰো অধিক চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থীৰ জীৱন বচোৱা হয়।

00000

ইৰানে ইজৰাইলৰ আক্ৰমণৰ প্ৰত্যুত্তৰত যোৱা নিশা ইজৰাইলি চহৰত শতাধিক ক্ষেপনাস্ত্ৰ আৰু ড্ৰোনেৰে আক্ৰমণ চলায়। ইৰানে এই প্ৰত্যাক্ৰমণক **অপাৰেচন ছিভিয়েৰ পানিছমেণ্ট** নাম দিছে। তেল আভিভ আৰু জেৰুজালেমত চলোৱা এই আক্ৰমণৰ ফলত ইজৰাইলত বিমান আক্ৰমণৰ চাইৰেন বাজি উঠে আৰু লাখ লাখ অসামৰিক লোকে শিবিৰত আশ্ৰয় ল'বলগীয়া হয়। ১৯৮০ চনত ইৰাকৰ সৈতে যুদ্ধৰ পাছত ইজৰাইলে ইৰানৰ বিৰুদ্ধে চলোৱা সৰ্ববৃহৎ সামৰিক অভিযানৰ কেইঘণ্টামানৰ পাছতে ইৰানে এই প্ৰত্যাক্ৰমণ কৰে। ইজৰাইলে বৃহস্পতিবাৰে নিশা ইৰাণৰ পাৰমানবিক প্ৰকল্প, বেলিষ্টিক ক্ষেপনাস্ত্ৰ কাৰখানা আৰু জ্যেষ্ঠ সেনাবাহিনীৰ নেতাক লক্ষ্য কৰি অপ্ৰৰোচিতভাৱে আক্ৰমণ সংঘটিত কৰে। আক্ৰমণৰ ফলত পশ্চিম এছিয়াত অনিশ্চয়তাৰ পৰিস্থিতি উদ্ভৱ হৈছে। ইৰাণৰ ওপৰত ২০০খন যুঁজাৰু বিমানেৰে আক্ৰমণ কৰা হয় বুলি ইজৰাইলৰ সেনাবাহিনীয়ে জানিবলৈ দিছে। ইয়াৰ প্ৰত্যুত্তৰত ইৰাণে ইজৰাইলক ১০০খন ড্ৰোণেৰে আক্ৰমণ কৰে। ইৰাণৰ ইছলামিক ৰিভলিউশ্যনেৰী গাৰ্ডৰ কামাণ্ডাৰ ইন চীফ জেনেৰেল হোছেইন ছালামী এই আক্ৰমণত নিহত হৈছে। তেওঁৰ লগতে দেশখনৰ নিৰাপত্তা বাহিনীসমূহৰ মুৰববী মহম্মদ বাঘেৰী, পাৰমানবিক শক্তি সন্থাৰ পূৰ্বৰ মুৰববী ফেৰেইডুন আববাছিকে ধৰি কেইবাগৰাকীও ক্ষমতাশালী লোক নিহত হৈছে।

আন্তঃৰাষ্ট্ৰীয় পাৰমানবিক শক্তি সন্থাই জানিবলৈ দিছে যে এই আক্ৰমণৰ ফলত পাৰমানবিক বিকিৰণৰ পৰিমাণ বৃদ্ধি হোৱা নাই। ইৰাণৰ প্ৰতিৰক্ষা বাহিনীসমূহৰ মুখপাত্ৰ ব্ৰিগেডিয়াৰ জেনেৰেল আবলফজল ছেকাৰ্চীয়ে এই আক্ৰমণৰ বাবে ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই পৰিণাম ভূগিব লাগিব বুলি সকিয়াই দিছে। ইৰাণৰ সংবাদ মাধ্যমে জানিবলৈ দিয়া অনুসৰি তেহৰাণৰ আৱাসিক অঞ্চলত আক্ৰমণ চলোৱাৰ ফলত শিশুকে ধৰি ভালেমান অসামৰিক লোক নিহত হৈছে।

00000

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেনজামিন নেতান্যাহুৱে পশ্চিম এছিয়াৰ বৰ্ধিত উত্তেজনাময় পৰিস্থিতিৰ সন্দৰ্ভত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ফোনযোগে মত বিনিময় কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে নেতান্যাহুৰ সৈতে এই আলাপত তেওঁ বৰ্ধিত পৰিস্থিতি সন্দৰ্ভত ভাৰতৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে শীঘ্ৰে এই খণ্ডত শান্তি আৰু স্থিৰতা ঘূৰাই অনাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰেও ইজৰাইলৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী জিডেয়ন ছাৰেৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে এই সন্দৰ্ভত ইৰানৰ বিদেশ মন্ত্ৰী ছৈয়দ আববাছ আৰাঘছিৰ সৈতেও কথা পাতে।

00000

আয়ুষ মন্ত্ৰালয়ে আজি নতুন দিল্লীত **এখন পৃথিৱী এটা স্বাস্থ্যৰ বাবে যোগ** বিষয়বস্তুৰে যোগা কানেক্ট শীৰ্ষক এখন বিশ্ব পৰ্যায়ৰ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে। অহা ২১ জুনৰ একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি এই সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনত এহেজাৰতকৈও অধিক অংশগ্ৰহণকাৰীয়ে ভাগ লোৱাৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠান আৰু স্বাস্থ্য কল্যাণ কেন্দ্ৰৰ প্ৰতিনিধিসকলেও ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ ল'ব। এই শীৰ্ষ সন্মিলনত বাহৰেইন, আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন আৰু দক্ষিণ কোৰিয়াৰ বিশেষজ্ঞসকলে ভাগ ল'ব। এই সন্মিলনতে বিগত দশকজুৰি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ প্ৰভাৱ সম্পৰ্কীয় অধ্যয়নৰ **যোগ প্ৰভাৱ** শীৰ্ষক প্ৰতিবেদন মুকলি কৰা হ'ব। আজিৰ এই শীৰ্ষ সন্মিলনত কেইবাটাও সত্ৰ অনুষ্ঠিত হ'ব।

00000

বিজেপিৰ কনাড পুৰকায়স্থ আৰু অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই অসমৰ ৰাজ্যসভাৰ দুয়োখন আসনতে বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰিছে। সম্প্ৰতি বিজেপিৰ ৰাজ্যিক সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰা কনাড পুৰকায়স্থ প্ৰথমবাৰৰ বাবে সাংসদ হ'ব। অসম বিধানসভাৰ প্ৰাংগণত থকা ৰাজ্যসভা নিৰ্বাচন পৰিচালন কাৰ্যালয়ৰ পৰা দুয়োগৰাকী প্ৰাৰ্থীয়ে যোৱা বৃহস্পতিবাৰে আনুষ্ঠানিকভাৱে জয়ৰ প্ৰমাণ পত্ৰ গ্ৰহণ কৰে। আজি বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ সাংসদ মিছনৰঞ্জন দাসৰ কাৰ্য্যকাল ওকলি যাব। উল্লেখযোগ্য যে, ৰাজ্যসভাত অসমৰ সাতখন আসন আছে। ইয়াৰে বিজেপিয়ে বৰ্তমান ৪ খন আৰু ইয়াৰ মিত্ৰজোঁট অগপ আৰু ইউ পি পি এলে এখনকৈ আসন অধিকাৰ কৰি আছে। বাকী থকা আসনখনত এগৰাকী নিৰ্দলীয় সদস্য আছে।

০০০০০

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ পুৰীয়ে অহা কেইবা মাহৰ বাবে ভাৰতত ইন্ধন যোগান পৰ্য্যাপ্ত পৰিমাণে মজুত আছে বুলি প্ৰকাশ কৰিছে। কালি পেট্ৰ'লিয়াম সচিব আৰু ৰাজহুৱা শক্তি খণ্ডৰ মুৰব্বীসকলৰ সৈতে হোৱা পৰ্যালোচনা বৈঠকৰ অন্তত মন্ত্ৰী শ্ৰী পুৰীয়ে সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰে। ইজৰাইলে ইৰানৰ ওপৰত কৰা আক্ৰমণৰ ফলত আন্তঃৰাষ্ট্ৰীয় ইন্ধনৰ মূল্য যথেষ্ট বৃদ্ধি পাইছে। শ্ৰী পুৰীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে ইন্ধনৰ উপলব্ধতা, ব্যয় সাধ্য আৰু বহনক্ষম নীতি যুগুত কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে, ভাৰতে বছৰি ১৫০ বিলিয়ন ইউ এছ ডলাৰ মূল্যৰ ইন্ধন আমদানি কৰে। ইয়াৰে ৮০ শতাংশ খাৰুৱা তেল।

০০০০০

লৰ্ডছত অনুষ্ঠিত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাই কালি তৃতীয় দিনৰ খেলৰ অধিকাংশ সময় নিজৰ আধিপত্য বজাই ৰখাৰ সুবাদত জয়ৰ নিচেই কাষ চাপিছে। দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে দ্বিতীয় ইনিংছত ৬৯ ৰানৰ প্ৰয়োজন। দলটোৱে কালি তৃতীয় দিনা ২৮২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি দুটা উইকেটৰ বিমিনয়ত ২১৩ ৰান সংগ্ৰহ কৰি ২৭ বছৰৰ পাছত প্ৰথমবাৰৰ বাবে আই চি চিৰ খিতাপ অৰ্জনৰ দিশত অগ্ৰসৰ হৈছে। দলটোৰ হৈ এইডেন মাৰক্ৰামে ১০২ আৰু অধিনায়ক টেম্বা বাভুমাই ৬৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই ২০৭ ৰাণত দ্বিতীয় ইনিংছ সমাপ্ত কৰি সামগ্ৰিকভাৱে দক্ষিণ আফ্ৰিকাতকৈ ২৮১ ৰানত আগবাঢ়ি থাকে। অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ২১২ ৰান কৰাৰ বিপৰীতে দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংছত কেৱল ১৩৮ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

জাৰ্মানীৰ মিউনিখত অনুষ্ঠিত আই এছ এছ এফ বিশ্বকাপৰ মহিলাৰ শ্বুটিঙৰ ১০ মিটাৰ এয়াৰ পিষ্টল ফাইনেলত ভাৰতৰ সুৰুচি সিঙে সোণৰ পদক লাভ কৰিছে। সুৰুচিয়ে ফ্ৰান্সৰ কেমিলি য়নজেয়েস্কিক মুঠ ২৪১ দশমিক ৯ পইণ্টত পৰাজিত কৰে। এয়া হৈছে আই এছ এছ এফ বিশ্বকাপৰ ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত সুৰুচিৰ তৃতীয়বাৰৰ বাবে সোণৰ পদক জয়। ইয়াৰ পূৰ্বে প্ৰতিযোগিতাত যোৱা সপ্তাহত ৰাইফল শাখাত ইলাভেনিল ভালাৰিভান আৰু ছিফ্‌ট কৌৰ ছামৰাই ব্ৰঞ্জৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাত ভাৰতে এতিয়ালৈকে তিনিটা পদকেৰে চতুৰ্থ স্থানত আছে। চীনে সম্প্ৰতি তিনিটা সোণ, আৰু দুটা ব্ৰঞ্জসহ পদক তালিকাৰ শীৰ্ষ স্থান আছে।

০০০০০

সমাপ্ত